**2 0 2 1**

( Held in 2022 )

PHILOSOPHY

Paper : PHI–HG/RC–1016

**( General Philosophy )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নিৰ্দেশানুযায়ী উত্তৰ লিখা :

(*a*) The standpoint of philosophy is regarded as partial/comprehensive.

( Choose the correct answer )

দৰ্শনৰ দৃষ্টিকোণক আংশিক/সামগ্ৰিক বুলি কোৱা হয়।

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

(b) Which branch of Philosophy deals with the problem of values?

দৰ্শনৰ কোনটো শাখাই প্ৰমূল্যৰ সমস্যাৰ বিষয়ে আলোচনা কৰে ?

(c) "Mind at the time of birth is a tabula-rasa." Who made this statement?

''জন্মৰ সময়ত মানুহৰ মনটো এখিলা উকা কাগজৰ দৰে হৈ থাকে।'' এই উক্তিটো কাৰ ?

(d) Which Philosopher admitted the existence of Innate Ideas in human mind? (Locke/Descartes/Hume)

( Choose the correct answer )

কোনগৰাকী দাৰ্শনিকে মানুহৰ মনত অন্তৰ্জাত ধাৰণাৰ অস্তিত্ব স্বীকাৰ কৰিছিল ? (লক/ডেকাৰ্ট/হিউম)

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

(e) ______ argue that known objects do not exist independent of mind. (Realist/Idealist/Materialist)

( Choose the correct answer )

______সকলৰ মতে জ্ঞেয় বস্তু মনৰ পৰা স্বতন্ত্ৰভাৱে বৰ্তি থাকিব নোৱাৰে। (বাস্তৱবাদী/ভাৱবাদী/জড়বাদী)

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

(f) Name the theory of truth which admits the degrees of truth.

সত্যৰ মাত্ৰাক স্বীকাৰ কৰা সত্যতা বিষয়ক মতবাদটোৰ নাম লিখা।

(g) Immanuel Kant is considered as an advocate of Empiricism/Rationalism/Critical theory.

( Choose the correct answer )

ইমানুৱেল কান্টক অভিজ্ঞতাবাদ/বুদ্ধিবাদ/সবিচাৰবাদৰ পৃষ্ঠপোষক বুলি গণ্য কৰা হয়।

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

(h) "There is no necessary connection between cause and effect." Who made this statement?

"কাৰণ আৰু কাৰ্যৰ মাজত অনিবাৰ্য সম্পৰ্ক নাথাকে।" এই উক্তিটো কাৰ?

(i) The substance of Leibniz is also known as ______.

( Fill in the blank )

লেইব্‌নিজৰ দ্ৰব্যক ______ বুলিও জনা যায়।

( খালী ঠাই পূৰণ কৰা )

(j) ______ is the founder of Scientific Realism.

( Fill in the blank )

বৈজ্ঞানিক বাস্তৱবাদৰ প্ৰৱৰ্তক হ'ল ______।

( খালী ঠাই পূৰণ কৰা )

2. Answer the following questions in brief : 2×5=10

তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ লিখা :

(a) Name two empiricist philosophers.

দুগৰাকী অভিজ্ঞতাবাদী দাৰ্শনিকৰ নাম লিখা।

(b) Give definition of primary quality with example.

উদাহৰণৰ সৈতে মুখ্য গুণৰ সংজ্ঞা আগবঢ়োৱা।

(c) Write two differences between Realism and Idealism.

বাস্তৱবাদ আৰু ভাৱবাদৰ মাজৰ দুটা পাৰ্থক্য লিখা।

(d) Write two characteristics of Space.

দেশৰ দুটা বৈশিষ্ট্য লিখা।

*(e)* Write two characteristics of correspondence theory of Truth.

সত্যতা সম্পৰ্কীয় মতবাদ হিচাপে সাদৃশ্যবাদৰ দুটা বৈশিষ্ট্য লিখা।

**3.** Write short notes on any *four* of the following topics : 5×4=20

তলৰ যি কোনো চাৰিটা বিষয় সম্পৰ্কে চমু টোকা লিখা :

*(a)* Epistemology

জ্ঞানবিদ্যা

*(b)* Scepticism

সংশয়বাদ

*(c)* Innate Idea

অন্তৰ্জাত ধাৰণা

*(d)* Esse est percipi

প্ৰত্যক্ষতে বস্তু বিদ্যমান

*(e)* Substance of Spinoza

স্পিনোজাৰ দ্ৰব্য

*(f)* Semantic Theory

শব্দাৰ্থবাদ

**4.** Answer any *four* of the following questions : 10×4=40

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

(a) Discuss the nature and scope of philosophy.

দৰ্শনৰ প্ৰকৃতি আৰু পৰিসৰ আলোচনা কৰা।

(b) Critically explain rationalism as a theory of the source of knowledge.

জ্ঞানৰ উৎপত্তি তত্ত্ব হিচাপে বুদ্ধিবাদ সমালোচনাৰ সৈতে ব্যাখ্যা আগবঢ়োৱা।

(c) Explain Subjective Idealism of Berkeley.

বাৰ্কলেৰ আত্মনিষ্ঠ ভাৱবাদ ব্যাখ্যা কৰা।

(d) Write an essay on the nature of Space and Time.

দেশ আৰু কালৰ স্বৰূপৰ বিষয়ে এখন ৰচনা লিখা।

(e) Explain and examine Hume's view of Causality.

হিউমৰ কাৰণ সম্পৰ্কীয় মতবাদটো সমালোচনাৰ সৈতে ব্যাখ্যা আগবঢ়োৱা।

(f) Discuss Descartes' view of Substance.

ডেকাৰ্টৰ দ্ৰব্যৰ ধাৰণাটো আলোচনা কৰা।

(g) Critically explain the pragmatic theory of truth.

সত্যতা সম্পৰ্কীয় মতবাদ হিচাপে উপযোগিতাবাদৰ সমালোচনাত্মক ব্যাখ্যা আগবঢ়োৱা।

(h) Discuss different branches of Realism.

বাস্তৱবাদৰ বিভিন্ন শাখাসমূহৰ বিষয়ে আলোচনা কৰা।

★★★